## মহামাৰী বনাম মূল্যবৃদ্ধি

সম্প্ৰতি ক'ভিড মহামাৰীৰ ফলত গোটেই বিশ্বত অৰ্থনৈতিক, সামাজিক, শৈক্ষিক আদি সকলো দিশতে বিৰূপ প্ৰভাৱ পৰিছে। বিশ্বৰ লগতে সমগ্ৰ ভাৰতবৰ্ষ আৰু আমাৰ অসমতো মহামাৰীয়ে শোচনীয় অৱস্থাৰ সৃষ্টি কৰিছে। কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে লোৱা আংশিক লকডাউন বা সম্পূৰ্ণ লকডাউনৰ সিদ্ধান্ত অৱশ্যেই প্ৰয়োজনীয়। কিন্তু ইয়াৰ ফলত সাধাৰণ ৰাইজ অৰ্থাৎ সৰু ব্যৱসায় বা দিন হাজিৰা কৰি খোৱাসকলে দুবেলা দুমুঠি খাবৰ বাবেও চিন্তা কৰিবলগীয়া হৈছে। এনে অৱস্থাত ভূতৰ ওপৰত দানহ পৰাদি অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম যি অভাৱনীয় হাৰত বৃদ্ধি পাইছে, সাধাৰণ লোক জীয়াই থাকিবলৈকে টান হৈ পৰিছে। এতিয়া প্ৰশ্ন হ'ল এই সামগ্ৰীসমূহৰ উৎপাদনৰ পৰিমাণ অৰ্থাৎ বজাৰত যোগান কমাৰ বাবে নে এচাম মধ্যভোগী শ্ৰেণীৰ বাবে দাম বৃদ্ধি হৈছে?

**ৰিণী দুৱৰা,**
বামুণবাৰী গাঁও, ডাক ঃ চিৰাখুন্দা-৭৮৫৬৬৬
(কালুগাঁও), শিৱসাগৰ, ফোন ঃ ৮৭২৪৮২২৩৯৭

## সংবাদ মাধ্যমৰ অসাংবাদিক কৰ্মচাৰীলৈ পেঞ্চন

পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ আমাৰ ভাৰতবৰ্ষ। এই বৃহৎ গণতন্ত্ৰক জীয়াই ৰাখিছে চাৰিটা স্তম্ভই। ইয়াৰে চতুৰ্থ স্তম্ভটো হৈছে সংবাদ মাধ্যম। আমাৰ দেশৰ সাংবাদিক আৰু সম্পাদকসকলে তেওঁলোকৰ বৌদ্ধিক লেখা আৰু কঠন শৈলীৰে গণতন্ত্ৰৰ ভেটি মজবুত কৰি ৰখাত যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। সাংবাদিক আৰু সম্পাদকসকলৰ এই নিস্বাৰ্থ অৰিহণাৰ বাবে ৰাজ্য চৰকাৰে তেওঁলোকৰ নিষ্ঠাক সন্মান জনাই ২০১৭ চনৰ পৰা সাংবাদিক পেঞ্চন প্ৰদান কৰি আহিছে। এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতি বছৰে ২০জনকৈ সাংবাদিকক এই পেঞ্চন আগবঢ়ায়। আমাৰ ৰাজ্যৰ অধিকাংশ সাংবাদিকেই কোনো কাকত, আলোচনী নাইবা বৈদ্যুতিন সংবাদ মাধ্যমত কৰ্মৰত। এই কাকত-আলোচনী নাইবা টিভি চেনেলটোক আগুৱাই নিয়াত যিখিনি অৰিহণা সাংবাদিক আৰু সম্পাদকজনে আগবঢ়ায়, ঠিক একেই পৰিমাণৰ অৰিহণা ব্যৱস্থাপনা বা কাৰিকৰী বিভাগৰ কৰ্মচাৰীজনেও আগবঢ়ায়। সংবাদ মাধ্যমক জীয়াই ৰখাত বৌদ্ধিক আৰু কাৰিকৰী বিভাগ দুয়োটাৰে বৰঙণি যথেষ্ট। সাংবাদিক আৰু সম্পাদক অবিহনে এখন কাকত, আলোচনী নাইবা এটা টিভি চেনেল যেনেকৈ অসম্পূৰ্ণ, সমান্তৰালভাৱে, ব্যৱস্থাপনা আৰু আন কাৰিকৰী বিভাগ অবিহনে কাকত বা আলোচনী এখন প্ৰকাশ হৈ ওলাব নোৱাৰে। এওঁলোকৰ অবিহনে আমি ঘৰতে বহি টিভি চেনেলটো চাব নোৱাৰিম। পেপাৰখন হাততে পাব নোৱাৰোঁ। গতিকে সাংবাদিকসকলক পেঞ্চন আগবঢ়ালেই সংবাদ মাধ্যমলৈ সন্মান জনোৱা জানো সম্পূৰ্ণ হ'ব! এটা দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে, চৰকাৰে সংবাদ মাধ্যমৰ ব্যৱস্থাপনা আৰু আন আন কাৰিকৰী বিভাগত কৰ্মৰত কৰ্মচাৰীসকললৈ পেঞ্চন প্ৰদান নকৰি তেওঁলোকৰ কষ্টক অসন্মান কৰাৰ দৰে হৈছে। সংবাদ মাধ্যমৰ অসাংবাদিক কৰ্মচাৰীসকললৈ উপযুক্ত বয়সত পেঞ্চন আগবঢ়ালে জাতিটোৰ বাবে আগবঢ়োৱা সেৱা আৰু ত্যাগক সঠিকভাৱে সন্মান জনোৱা হ'ব।

**গুঞ্জন কাশ্যপ,**
Tata Consultancy Services, Kolkata

## ৰজাঘৰীয়া এছ অ' পি

ৰাজ্যখনৰ ক'ভিডসৃষ্ট পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ চৰকাৰী পক্ষৰ দ্বাৰা প্ৰকাশিত নিত্য নতুন এছ অ' পিসমূহৰ ফলত ৰাইজৰ মাজত যথেষ্ট বিভ্ৰান্তিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। একোটা এছ অ' পি ৰাইজে বুজি উঠাৰ আগতে উপৰ্যুপৰি আন এটা এছ অ' পি বলৱৎ কৰা হৈছে। ইয়াৰ ফলত সাধাৰণ ৰাইজতো বাদেই, চৰকাৰী কৰ্মচাৰী আৰু প্ৰশাসনৰ লগত জড়িত লোকো সম্প্ৰতি দিশহাৰা হৈছে। তাৰ মাজতে নেতা-মন্ত্ৰীসকলৰ একাংশই এই এছ অ' পিসমূহ পদপিষ্ট কৰি বিভিন্ন কাৰ্যকলাপ কৰা সাধাৰণ ৰাইজৰ চকুত পৰিছে। একোটা এছ অ' পি ঘোষণাৰ চৌবিছ ঘণ্টা অতিক্ৰম নৌহওঁতেই ৰাজ্যৰ বৰমূৰীয়াসকলে নিজৰ সুবিধাৰ্থে সেই এছ অ' পি ভংগ কৰা পৰিলক্ষিত হৈছে।

আমাৰ ৰাজ্যৰ নতুন এছ অ' পিৰ ছাৰ্কুলাৰসমূহত তলৰ ফালে 'ৰজাঘৰীয়াৰ বাবে নহয়' জাতীয় বিশেষ দ্ৰষ্টব্য একোটা সন্নিৱিষ্ট কৰাটো ভাল!

**জয়ন্ত দত্ত,**
ঘৰ নম্বৰ-২,
শংকৰদেৱ পথ, এন এইচ-৩৭, জালুকবাৰী,
ইণ্ডিয়ান অইল পেট্ৰল পাম্পৰ সন্মুখত,
গুৱাহাটী-৭৮১০১৪, ফোন ঃ ৯৮৫৪৭২৭০৪৩

## আকাশবাণী গুৱাহাটীৰ 'কি নাম দি মাতিম' অনুষ্ঠান

বৰ্তমান প্ৰযুক্তিবিদ্যাৰ কৃপাত বিভিন্ন গণ মাধ্যম সুলভ হ'ল। এনে এটা সময় আছিল ৰেডিঅ' অবিহনে আমাৰ জীৱনৰ দীনপঞ্জী আৰম্ভ নহৈছিল। শৈশৱৰ পৰা আমি ৰেডিঅ' শুনি শুনি ডাঙৰ হৈছোঁ। এটা সময়ত প্ৰায় সংখ্যক লোকৰে ৰেডিঅ' অবিচ্ছেদ্য অংগ আছিল। কিন্তু ৰেডিঅ'ৰ জনপ্ৰিয়তা বৰ্তমানো ম্লান পৰা নাই। এতিয়া নিউজ অন এ আই আৰ আৰু ৰেডিঅ' ফেছবুক লাইভৰ দ্বাৰা দেখিব বা শুনিব পাৰি। 'কি নাম দি মাতিম' অনুষ্ঠান সোমবাৰৰ পৰা শুকুৰবাৰলৈকে নিত্য-নতুন জ্ঞানবৰ্ধক অনুষ্ঠানেৰে প্ৰচাৰ কৰি ৰেডিঅ'ক অনন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰকৃতি সংৰক্ষণ, ঐতিহ্য, অসম বুৰঞ্জী, ভূগোল, অসমৰ নদ-নদী, সাহিত্য-সংস্কৃতি, গীত-মাতৰ আকাশবাণী গুৱাহাটীৰ 'কি নাম দি মাতিম' অনুষ্ঠানৰ দ্বাৰা জ্ঞানৰ ভঁৰাল চহকী কৰিছে। অতি কম সময়ৰ ভিতৰতে কবিতা লিখা, অণুগল্প লিখা, বিভিন্ন কিতাপৰ নাম জনাৰ উপৰি সাহিত্যিকজনক জনাৰ সুবিধা কৰি দিছে। এক প্ৰকাৰে সাহিত্য চৰ্চা কৰিবলৈ অনুপ্ৰাণিত কৰিছে। গীত-মাতৰ অনুষ্ঠানৰ জৰিয়তে শিল্পীগৰাকীক বহুতেই জানে কিন্তু গীতিকাৰ, সুৰকাৰজনকো এতিয়া বেছি ভালদৰে জনাৰ সুবিধা হৈছে। আৰু এটা গুৰুত্বপূৰ্ণ কথা—শুদ্ধ বানান আৰু উচ্চাৰণৰ ওপৰত এই অনুষ্ঠানে গুৰুত্ব আৰোপ কৰিছে। তদুপৰি ক'ভিড মহামাৰীৰ দুঃসময়ত আকাশবাণীয়ে সাহসেৰে যুঁজিবলৈ সজাগ আৰু সচেতনতাৰ সৃষ্টি কৰিছে। আকাশবাণীৰ সৈতে পূৰ্বৰ দৰে একাত্ম হওঁ আহক।

**ৰিণু ভট্টাচাৰ্য,**
ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী-৭৮১০২৪,
ফোন ঃ ৯৪৩৫৪০৩৭২৫

## সৰু সৰু কথাবোৰ

আমাৰ দৈনন্দিন জীৱনত বিভিন্ন ৰাজহুৱা স্থান, যেনে—বেংক, এ টি এম আদিলৈ যাবলগীয়া হয়। এনেবোৰ ঠাইত আমাৰ বাবে বিভিন্ন নিয়ম-শৃংখলা থাকে। বৰ্তমান ক'ভিডৰ বাবে অসমত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে কেৱল চৰকাৰ বা অন্য কাৰোবাক দায়ী কৰি আমি জানো আমাৰ ভুলৰ পৰা হাত সাৰি থাকিবলৈ চেষ্টা কৰা নাই? কেৱল কৰ'নাই নহয়, ৰাজহুৱা স্থানত পালন কৰিবলগীয়া নীতি-নিয়মবোৰে আমাক শৃংখলাবদ্ধভাৱে কাম এটা সমাধান কৰাত সহায় কৰা আৰু সময় বচোৱাৰ লগতে বহু ডাঙৰ বিপদৰ পৰাও আমাক ৰক্ষা কৰে। সাধাৰণ বুলি ভবা নিয়ম-শৃংখলাৰ কথাবোৰত আমি অলপ গুৰুত্ব দিলেই ডাঙৰ পৰিৱৰ্তন আনি সমাজৰ উন্নতিৰ হকে হাত আগবঢ়াব পাৰিম। এনে সৰু সৰু যেন লগা কথাবোৰ আমি যদি মানি চলিলোহেঁতেন তেন্তে নিশ্চিয়কৈ আজি আমাৰ ভৱিষ্যৎ অনিশ্চয়তাৰ পথত গতি নকৰিলেহেঁতেন।

**প্ৰেৰণা হাজৰিকা,**
একাদশ শ্ৰেণী, গৌৰীসাগৰ-৭৮৫৬৬৪,
শিৱসাগৰ, ফোন ঃ ৯৪০১১৮৫১৮৪